No. of Printed Pages : 4

**FAS-01**

**BDP / BCA / BTS**

**Term-End Examination**

**December, 2022**

## FAS-01 : FOUNDATION COURSE IN ASSAMESE

*Time : 2 hours* *Maximum Marks : 50*

---

*প্ৰশ্নবোৰ মন দি পঢ়ি উত্তৰ লিখক ।*

---

### ক শাখা

**1.** সম্পূৰ্ণ বাক্যত উত্তৰ দিয়ক : *5×1=5*

(a) ইন্দিৰা গান্ধীৰ ৰাজনৈতিক আদৰ্শ কি আছিল ?

(b) মন্টু পোঙ্গলৰ লগত অসমৰ কোন অনুষ্ঠানৰ মিল আছে ?

(c) অসমৰ আহোম যুগৰ ভাস্কৰ্য-স্থাপত্যৰ নিদৰ্শন কি ?

(d) উপনিষদৰ আগত কি আৰু পিছত কি ৰচিত হয় ?

(e) 'আনন্দ লহৰী' পুথিখনৰ চিত্ৰবোৰত কিহৰ প্ৰভাৱ পৰিছে ?

**2.** তলত দিয়া প্ৰশ্নবোৰৰ শুদ্ধ বিকল্প নিৰ্ণয় কৰক : *5×1=5*

(a) কোনে প্ৰথম অসমীয়া ব্যাকৰণ ৰচনা কৰে ?

(i) মাইলছ ব্ৰনসনে

(ii) উইলিয়াম ৰবিন্সনে

(iii) নাথান ব্ৰাউনে

(b) কোন চনত 'জোনাকী' আলোচনী প্ৰকাশ পায় ?

(i) ১৯৪৬ চনত

(ii) ১৯৮৮ চনত

(iii) ১৮৮৯ চনত

(c) কোন যুগত গান্ধাৰ শিল্পকলা গঢ় লৈ উঠিছিল ?

(i) কুশান যুগত

(ii) গুপ্ত যুগত

(iii) মৌৰ্য যুগত

(d) প্ৰাচীন নালন্দা বিশ্ববিদ্যালয় কোনে সংস্কাৰ কৰিছিল ?

(i) সেন বংশৰ ৰজাসকলে

(ii) পাল বংশৰ ৰজাসকলে

(iii) আহোম ৰজাসকলে

(e) বৃটিছ পাৰ্লিয়ামেন্টে ভাৰতক ক্ষমতা হস্তান্তৰ কৰাৰ বাবে কাক সকলো ক্ষমতা অৰ্পণ কৰিছিল ?

(i) গৰ্ভনৰ জেনেৰেল ৱাভেল

(ii) ছাৰ ষ্টাকোৰ্ড ক্ৰীপছ

(iii) লৰ্ড মাউন্ট বেটেন

**3.** কৰ্কট বা দেঞ্চাৰ ৰোগৰ বিষয়ে চমুকৈ লিখক । *5*

**4.** যিকোনো ***পাঁচটা*** প্ৰশ্নৰ সংক্ষেপে উত্তৰ লিখক : *5×2=10*

(a) অসমৰ প্ৰাচীন নাম কি ? মহাভাৰতত অসমক কি নামেৰে উল্লেখ কৰিছে ?

(b) দেৱালী উৎসৱ ল’ৰা ছোৱালীৰ কাৰণে ইমান আকৰ্ষনীয় হোৱাৰ কাৰণ কি ?

(c) অসমীয়া কিৰোবাৰ সাজ-পোছাকৰ মিল কাৰ লগত দেখা যায় ?

(d) গান্ধীজীয়ে অসহযোগ আন্দোলন হঠাতে প্ৰত্যাহাৰ কৰাৰ কি কাৰণ আছিল ?

(e) ন্যায় দৰ্শনৰ মতে প্ৰমাণ কি আৰু ই কেইবিধ ?

(f) বৰ্দ্ধিত জনসংখ্যাক কেনেকৈ জনসম্পদলৈ ৰূপান্তৰিত কৰিব পাৰি ?

(g) অসমৰ চিত্ৰকলাক কিয় সত্ৰীয়া চিত্ৰকলা বোলা হৈছিল ?

(h) অসমৰ সংহতি বিনষ্ট কৰাৰ কাৰণে ব্ৰিটিছ চৰকাৰে কি উপায় অবলম্বন কৰিছিল ?

## খ শাখা

**5.** তলৰ সংজ্ঞাবোৰৰ যিকোনো ***পাঁচটাৰ*** বিপৰীত লিঙ্গ লিখক : *5×1=5*

তিৰোতা, ককাইদেউ, আইতা, ডেকা, ধোবা, অধ্যাপিকা, দঁতাল ।

**6.** তলৰ যিকোনো ***পাঁচটা*** খণ্ডবাক্য ব্যৱহাৰ কৰি বাক্য ৰচনা কৰক : *5×1=5*

গা কৰি উঠা, থৰকাচুতি, কণাৰ লাখুটি, চকু চৰহা, ফিচিঙা ফিচিং, আমঠু ক'লা পৰা, উলাহৰ মাদলি ।

**7.** অসমৰ এজন বীৰ বা এগৰাকী বীৰাঙ্গনাৰ বিষয়ে চমুৰাই লিখক । *5*

**8.** তলৰ যিকোনো বিষয় ***এটা*** নিৰ্বাচন কৰি এখন ৰচনা লিখক : *1×10=10*

(a) ব্ৰহ্মপুত্ৰ নদ

(b) অসমৰ প্ৰাকৃতিক সম্পদ

(c) প্ৰৌঢ় শিক্ষাৰ প্ৰয়োজনীয়তা

---